# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-07-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***
***:::::::::::::::::::::::::::::::***

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগ পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰতিষ্ঠানটোৰ চিকিৎসক, নাৰ্চ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰাৰ পাছত স্বাস্থ্যসেৱা সম্প্ৰসাৰণৰ ক্ষেত্ৰত থকা সমস্যাসমূহ সমাধানৰ বাবে বিষয়ববীয়া সকলৰ সৈতে এখন উচ্চস্তৰীয় বৈঠকত মিলিত হয়। চিকিৎসা মহাবিদ্যালয়খনত চিকিৎসক আৰু নাৰ্চৰ আৱাসগৃহৰ ব্যৱস্থা কৰাৰ লগতে অত্যাধুনিক চিকিৎসা সঁজুলি প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই পৰিদৰ্শনকালত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, সাংসদ ৰণগৌৰা নাৰ্জাৰীৰ উপৰি কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে কাৰ্যকৰী ব্যৱস্থা লৈছে। বিভাগীয় সূত্ৰ অনুসৰি এই ৰোগত আক্ৰান্ত হৈ ৰাজ্যখনত এতিয়ালৈ কমেও ২৬ জন লোকৰ মৃত্যু হৈছে। উজনি আৰু নামনি অসমৰ কেইবাখনো জিলাৰ লগতে বৰাক উপত্যকাত মুঠ ২৫০ জন লোক এই ৰোগত আক্ৰান্ত হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। চিৰাং জিলাত জাপানীজ এনকেফেলাইটিছ আৰু মেলেৰীয়া ৰোগত চলিত বছৰত কালি পৰ্যন্ত ৪১১ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৪০৫ জন মেলেৰীয়াত আৰু ছজন লোক এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈছে। স্বাস্থ্য বিভাগে জিলাখনত ঔষধযুক্ত আঁঠুৱা বিতৰণৰ লগতে প্ৰতিষেধক স্প্ৰে কৰা, ধোঁৱা দিয়া আৰু সজাগতা কাৰ্যসূচী অব্যাহত ৰাখিছে।

কাৰ্বি আংলঙত কালি এই ৰোগত আক্ৰান্ত হৈ দুগৰাকী ৰোগীয়ে প্ৰাণ হেৰুৱায়। বৰ্তমান ডিফু চিকিৎসা মহাবিদ্যালয়ত এই ৰোগত আক্ৰান্ত হৈ ৯ টি শিশু চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে। ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱালৈ লক্ষ্য ৰাখি জনসাধাৰণক সাৱধানতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে জিলা স্বাস্থ্য বিভাগে আহ্বান জনাইছে।

০০০০

নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, সাধাৰণ সম্পাদক কে চি বেণুগোপাল আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে আজি অসম প্ৰদেশ কংগ্ৰেছৰ কৰ্মীসভা আৰু সতীৰ্থ সন্মিলনত অংশ লয়। দুয়োগৰাকী নেতাই মহানগৰীৰ এখন হোটেলত কংগ্ৰেছৰ জিলা সভাপতিসকলৰ সৈতে বৈঠকত মিলিত হয়। নেতাকেইগৰাকীয়ে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, ৰাজনীতিক পৰিক্ৰমা সদস্য, প্ৰদেশ কংগ্ৰেছৰ বিষয়ববীয়া, সাংসদ-বিধায়ক আৰু দলৰ জিলা সভাপতিসকলৰ সৈতে দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ সন্দৰ্ভত আলোচনা কৰে। এই বৈঠকৰ প্ৰাকমুহূৰ্তত দলৰ ৰাজ্যিক সভাপতি শ্ৰীগগৈয়ে সাংবাদিকৰ আগত কয়, যে

কংগ্ৰেছ দলে অসমৰ জনসাধাৰণৰ কল্যাণৰ হকে, খিলঞ্জীয়া মানুহৰ ভূমিপট্টাৰ বাবে আৰু সংখ্যালঘু নিৰাপত্তাৰ বাবে যুঁজ দিব।

০০০০

স্বাস্থ্য মন্ত্ৰী অশোক সিংহালে বাক্সাৰ মুছলপুৰত আজি ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰি চিকিৎসালয়খনত থকা অভাৱ অভিযোগৰ খতিয়ান লয়। পৰিদৰ্শনকালতে মন্ত্ৰী সিংহালে শেহতীয়াকৈ ৰাজ্যৰ চিকিৎসালয়সমূহত পৰ্যাপ্ত পৰিমাণে ঔষধৰ লগতে চিকিৎসাৰ অত্যাধুনিক সা-সৰঞ্জাম উপলব্ধ হৈছে  বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়ত শীঘ্ৰে আই চি ইউ কাৰ্যক্ষম কৰাৰ ব্যৱস্থা কৰা হ'ব বুলিও মন্তব্য কৰে। চিকিৎসালয়ৰ পৰিদৰ্শনৰ অন্তত মন্ত্ৰীগৰাকীয়ে বাক্সা জিলা আয়ুক্তৰ সভাকক্ষত জিলা উপায়ুক্ত তথা অন্যান্য বিষয়ববীয়াৰ উপস্থিতিত বাক্সা আৰু তামুলপুৰ জিলা দং বান্ধ কমিটিৰ সৈতে এখন পৰ্যালোচনা বৈঠকত ভাগ লয়। বৈঠকৰ অন্তত মন্ত্ৰীগৰাকীয়ে বিগত ৮০ বছৰে স্থানীয় লোকৰ প্ৰচেষ্টাত  চলি থকা দং বান্ধৰ বাবে গৌৰৱ অনুভৱ কৰে বুলি প্ৰকাশ কৰে। দং বান্ধৰ পৰিকল্পনা আৰু ব্যৱস্থাপনাৰ বিষয়ে জলসিঞ্চন বিভাগে গুৰুত্ব সহকাৰে চিন্তা কৰিব লাগে বুলিও মন্ত্ৰীগৰাকীয়ে কয়। দং বান্ধৰ আদৰ্শক আন স্থানলৈ নি কৃষক তথা সাধাৰণ লোকক উপকৃত কৰিব পাৰি নেকি সেই বিষয়েও বৈঠকত আলোচনা হোৱা বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। একে সময়তে ৰাজ্যৰ শেহতীয়া খৰাং তথা বহু খেতিপথাৰত  জলসিঞ্চনৰ ব্যৱস্থা নথকা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে মতামত প্ৰকাশ কৰি কয়, যে নদীৰ গতিপথ সলনি হোৱাৰ বাবে ২০ শতাংশ জলসিঞ্চন প্ৰকল্পই বৰ্তমান বিকল হৈ আছে।।

০০০০

বজালী জিলাৰ সীমা নিৰ্ধাৰণ আৰু জিলাকেন্দ্ৰিক সকলো কাৰ্যালয় স্থাপনৰ দাবীত বজালী জিলা সুৰক্ষা সমিতিয়ে আজি ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। চৰকাৰীভাৱে বজালী মহকুমাক জিলা হিচাপে স্বীকৃতি দিয়াৰ ৪ বছৰ সম্পূৰ্ণ হ'ল যদিও এতিয়ালৈ জিলাখনৰ চাৰিসীমা নিৰ্ধাৰণ হোৱা নাই। তদুপৰি জিলা এখনৰ পৰিচালনাৰ বাবে প্ৰয়োজনীয় বিভাগসমূহো কাৰ্যকৰী নোহোৱাৰ ফলত জনসাধাৰণ অসুবিধাৰ সন্মুখীন হৈছে। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বজালী জিলা সুৰক্ষা সমিতিৰ এটা দলে মুখ্যমন্ত্ৰীলৈ কেইবাটাও দাবী সম্বলিত এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। এই স্মাৰক পত্ৰত জিলাখনৰ শীঘ্ৰেই সীমা নিৰ্ধাৰণ, চিকিৎসা মহাবিদ্যালয় স্থাপন, জিলাভিত্তিক সকলো কাৰ্যালয় স্থাপনকে ধৰি কেইবাটাও দাবী উত্থাপন কৰা হৈছে।

০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনৰ সহযোগত জিলা শিক্ষা বিভাগে হাতশিঙিমাৰীত ছাত্ৰ-ছাত্ৰীৰ বাবে ৭ দিনীয়া গ্ৰীষ্মকালীন বেডমিণ্টন প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰিছে। ১৪ জুলাইৰ পৰা চলি থকা এই বেডমিণ্টন প্ৰশিক্ষণ শিবিৰত অসম বেডমিণ্টন দলৰ প্ৰাক্তন প্ৰশিক্ষক নুৰাল আখতাৰ হুছেইনে মুখ্য প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰিছে। প্ৰথমবাৰৰ বাবে জিলাখনত আয়োজন কৰা এই প্ৰশিক্ষণ শিবিৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল খেলবিধৰ প্ৰতি আগ্ৰহী হ'ব বুলি হাতশিঙিমাৰীৰ সমগ্ৰ শিক্ষা জিলা আঁচনি বিষয়া ৰফিউল আলম আহমেদে আশা প্ৰকাশ কৰে।

০০০০

দৰং জিলাৰ মঙলদৈৰ ৰামহৰিত আজি পুখুৰীত গা ধুবলৈ গৈ দুটি শিশুৰ সলিল সমাধি ঘটে। শিশু দুটি ৰামহৰিৰ ৮ বছৰীয়া দৃষ্টি হাজৰিকা আৰু বেজপাৰা টিয়াঝাৰ নিবাসী ১০ বছৰীয়া ধৰিত্ৰী ডেকা বুলি চিনাক্ত কৰা

হৈছে। পানীত বুৰ যোৱা শিশু দুটিক ৰাইজে উদ্ধাৰ কৰি মঙলদৈৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে দুয়োকে মৃত বুলি ঘোষণা কৰে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

০০০০

সমাপ্ত